**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-12-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

**-------------------**

**:::::::::::::::::::**

১। কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ প্ৰথমটো শুনানি সম্পন্ন। শিল্পীগৰাকীক ভাৰত ৰত্ন প্ৰদানৰ বাবে ৰাজ্যসভাত সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ দাবী উত্থাপন।

২। মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত লামডিং সমষ্টিৰ ২৭ হাজাৰ ৩১০গৰাকী হিতাধিকাৰীক ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ভ্ৰমণ সন্দৰ্ভত নামৰূপত বিভাগীয় বিষয়া আৰু কৰ্মচাৰীৰে মন্ত্ৰী ৰণোজ পেগু, প্ৰশান্ত ফুকনৰ বৈঠক। ***আৰু***

৪। ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধত মৃত্যুবৰণ কৰা ভাৰতীয় সৈনিকৰ স্মৃতিত ৰাজ্যৰ বিভিন্ন স্থানত বিজয় দিৱস পালন।

০০০০০

জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ অভিযোগনামা দাখিলৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত আজি গোচৰটোৰ প্ৰথমটো শুনানি গ্ৰহণ কৰা হয়। শুনানিৰ সময়ত গোচৰটোৰ ৭ জন অভিযুক্তক কাৰাগাৰৰ পৰা ভিডিঅ' কনফাৰেন্সৰ জৰিয়তে মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত হাজিৰ কৰোৱা হয়। অভিযুক্ত শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মা, সন্দীপন গাৰ্গ, পৰেশ বৈশ্য আৰু নন্দেশ্বৰ বৰাক বাক্সাৰ নিকাচি কাৰাগাৰৰ পৰা আৰু অমৃতপ্ৰভা মহন্ত, শেখৰজ্যোতি গোস্বামীক হাফলং উপ কাৰাগাৰৰ পৰা শুনানিৰ সময়ত আদালতৰ সৈতে সংযুক্ত কৰা হয়। গোচৰটোৰ শুনানি গ্ৰহণ কৰি আদালতে অহা ২২ ডিচেম্বৰত পৰৱৰ্তী শুনানিৰ দিন ধাৰ্য্য কৰে। আদালতৰ নিৰ্দেশ অনুসৰি শুনানিৰ পূৰ্বে অপৰাধ অনুসন্ধানকাৰী এটা দলে ৭ জন অভিযুক্তক কাৰাগাৰাৰ কৰ্তৃপক্ষৰ জৰিয়তে অভিযোগনামাৰ প্ৰতিলিপি প্ৰদান কৰে। একেদৰে অভিযুক্তসকলৰ পৰিয়ালকো পেনড্ৰাইভৰ জৰিয়তে অভিযোগনামাসহ অন্যান্য সংলগ্ন নথি পত্ৰ প্ৰদান কৰা হয়। আজিৰ শুনানিত অভিযুক্তসকলৰ হৈ জিলা আইনী সেৱা প্ৰাধিকাৰীৰ অধিবক্তা ধ্ৰুৱজ্যোতি দাসে প্ৰতিনিধিত্ব কৰে। জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ  ঘটনাত ক্ষুব্ধ হৈ অধিবক্তাসকলে অভিযুক্তসকলৰ হৈ ওকালতি নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাত আদালতে নিয়ম অনুসৰি অভিযুক্তৰ অধিবক্তা হিচাপে জিলা আইন সেৱা প্ৰাধিকাৰীৰ অধিবক্তা নিয়োগৰ নিৰ্দেশ দিয়ে।

ইপিনে, অগপৰ ৰাজ্যসভাৰ সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যই আজি জনতাৰ শিল্পী জুবিন গাৰ্গক ভাৰত ৰত্ন প্ৰদানৰ বাবে ৰাজ্যসভাত দাবী উত্থাপন কৰে। অসম গণ পৰিষদ তথা অসমবাসীৰ হৈ এই দাবী উত্থাপন কৰি সাংসদগৰাকীয়ে কয় , যে জুবিন  গাৰ্গে অসমীয়া ভাষাৰ উপৰি তামিল, তেলেগু, মালায়ালম, হিন্দী আদি ভাষাত গীত গাইছিল। সমান্তৰালভাৱে তেওঁ আৰ্তজনক বিভিন্ন সময়ত নিজৰ গাঁঠিৰ ধন ভাঙি সহায় কৰি আহিছিল। পৰিবেশ সুৰক্ষাৰ হকে মাত মাতি অহা শিল্পীগৰাকী প্ৰকৃতিৰ বন্ধু আছিল বুলিও সাংসদগৰাকীয়ে কয়। জুবিন গাৰ্গৰ মৃত্যুত দেশে এজন সুযোগ্য সন্তান হেৰুওৱা বুলি উল্লেখ কৰি সাংসদগৰাকীয়ে তেওঁক ভাৰত ৰত্ন প্ৰদান কৰাৰ বাবে আহ্বান জনায়।

বাইট -বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য

০০০০০০

মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি লামডিং সমষ্টিৰ মুঠ ২৭ হাজাৰ ৩১০গৰাকী  হিতাধিকাৰীক ১০ হাজাৰকৈ টকাৰ চেক বিতৰণ কৰে। হোজাইৰ শ্ৰীমন্ত শংকৰদেৱ নগৰৰ খেলপথাৰত অনুষ্ঠিত জনসভাত দিয়া ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্যৰ ৩৫ লাখ মহিলাক উদ্যমিতা আঁচনিৰ অধীনত প্ৰথম কিস্তিৰ ১০ হাজাৰকৈ টকাৰ চেক বিতৰণৰ বাবে চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰিছে। তেওঁ চৰকাৰে দিয়া এই ধনৰ সদ্ব্যৱহাৰ কৰিবলৈ মহিলাসকলক আহ্বান জনায়। ড° শৰ্মাই কয়, যে যিসকল মহিলাই এই আঁচনিৰ প্ৰথম কিস্তিৰ ধন স্বাৱলম্বিতাৰ ক্ষেত্ৰত খৰচ নকৰি আন কিবা শিতানত খৰচ কৰে, সেইসকল মহিলাক এই আঁচনিৰ পৰৱৰ্তী কিস্তিৰ পৰা আঁতৰত ৰখা হ'ব। উদ্যমিতা আঁচনিৰ তৃতীয় কিস্তিত ৫০ হাজাৰ টকা পৰ্যন্ত দিয়া হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। তেওঁ কয়, যে ৩৫ লাখ মহিলাক ১০ হাজাৰ টকাকৈ দিয়াৰ বাবদ চৰকাৰৰ প্ৰায় ৩ হাজাৰ ২০০ কোটি টকা ব্যয় হ'ব। মহিলাসকলক অধিকাৰ দিয়া আৰু তেওঁলোকৰ জৰিয়তে সমাজক শক্তিশালী কৰি গঢ়ি তোলাই এই আঁচনিৰ লক্ষ্য বুলি ড° শৰ্মাই উল্লেখ কৰে। লামডিং সমষ্টিৰ বহু মহিলাৰ সম্প্ৰতি লাখপতি বাইদেউ হিচাপে নিজকে প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে বুলি প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে নাৰী শক্তিক আগবঢ়াই নি আত্মনিৰ্ভৰ অসম গঢ়াৰ যাত্ৰা চৰকাৰে অব্যাহত ৰাখিব।

বাইট

০০০০০

অহা ২০ আৰু ২১ ডিচেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অসম ভ্ৰমণৰ বাবে শাসকীয় দল বিজেপি আৰু চৰকাৰে তৎপৰতা অব্যাহত ৰাখিছে। ইতিমধ্যে প্ৰধানমন্ত্ৰীৰ আগমনৰ বাবে গুৱাহাটী মহানগৰী সুন্দৰকৈ সজাই তোলা হৈছে। ২০ ডিচেম্বৰত শ্ৰীমোদীয়ে বৰঝাৰ বিমান বন্দৰত এটা নতুন টাৰ্মিনেল মুকলি কৰাৰ লগতে গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰি এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিব। প্ৰধানমন্ত্ৰীৰ অসম ভ্ৰমণ কাৰ্যসূচী আৰু জনসভা সফল কৰাৰ সন্দৰ্ভত আলোচনা কৰাৰ বাবে আজি উত্তৰ গুৱাহাটী মণ্ডলত বিজেপিৰ এখন প্ৰস্তুতি সভা অনুষ্ঠিত হয়। এই সভাত মন্ত্ৰী অজন্তা নেওগ, অসম প্ৰদেশ কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক ৰণজিৎ ভট্টাচাৰ্য, উত্তৰ গুৱাহাটী সংমণ্ডলৰ ৰঞ্জন বৰুৱা আদিয়ে অংশগ্ৰহণ কৰি সভাৰ প্ৰস্তুতি সন্দৰ্ভত বুজ লয়। একেদৰে ২১ ডিচেম্বৰত প্ৰধানমন্ত্ৰীগৰাকীয়ে নামৰূপৰ এম'নিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীৰ নামৰূপৰ সভভাস্থলী পৰিদৰ্শন কৰি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, শক্তি মন্ত্ৰী প্ৰশান্ত ফুকন আৰু স্থানীয় বিধায়ক তৰংগ গগৈয়ে কাৰ্যসূচীৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীদ্বয়ে প্ৰধানমন্ত্ৰীৰ ভ্ৰমণ সন্দৰ্ভত বিভাগীয় বিষয়া আৰু কৰ্মচাৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকতো মিলিত হয়।

০০০০০

১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধত মৃত্যুবৰণ কৰা ভাৰতীয় সৈনিকসকলৰ স্মৃতিত আজি ৰাজ্যৰ বিভিন্ন স্থানত বিজয় দিৱস পালন কৰা হয়। অসম আৰক্ষীয়ে বীৰ ছহিদসকললৈ শ্ৰদ্ধাঞ্জলি জনাই বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰে। একেদৰে ঠায়ে ঠায়ে বীৰ সৈনিকসকলক স্মৰণ কৰি বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰা হয়। উল্লেখযোগ্য যে আজিৰ দিনটোতে পাকিস্তানী সেনাবাহিনীয়ে ভাৰতৰ ওচৰত আত্মসমৰ্পণ কৰিছিল আৰু পূব পাকিস্তান বাংলাদেশ নামেৰে স্বাধীন ৰাষ্ট্ৰ হিচাপে স্বীকৃত হৈছিল।

বিজয় দিৱস উপলক্ষে আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে ১৯৭১ চনৰ ভাৰত-পাকিস্তান যুদ্ধত মৃত্যুবৰণ কৰা সৈনিকসকলক শ্ৰদ্ধাঞ্জলি জনায়। লগতে পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ঐতিহাসিক জয়ক সোঁৱৰণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে জন্মভূমিৰ প্ৰতি ভাৰতীয় সেনাৰ ভালপোৱা, উৎসৰ্গাৰ মনোভাৱ আৰু সাহসে জাতিক সদায় গৌৰৱান্বিত কৰি আহিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে সেনা বাহিনীৰ বীৰত্বই পাকিস্তানৰ বিপক্ষে ভাৰতৰ জয়লাভত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছিল

আৰু বাংলাদেশ নামৰ এখন স্বাধীন ৰাষ্ট্ৰ সৃষ্টি হৈছিল। সাহসী সৈনিকসকলৰ বলিদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে তেওঁলোকৰ নিঃস্বাৰ্থ সেৱাই জাতিক সুৰক্ষিত কৰি ৰাখিছে। ০০০০

০০০০০

ৰাজ্যত মৃত্যুঞ্জয় ১০৮ জৰুৰীকালীন সেৱা পৰিচালনা কৰা প্ৰতিষ্ঠান GVKEMRI গ্ৰীণ হেল্‌থ ছাৰ্ভিচেছে বৰ্খাস্ত নকৰা কৰ্মচাৰীসকলক ২২ ডিচেম্বৰ বা তাৰ আগেয়ে কৰ্তব্যত যোগদান কৰিবলৈ নিৰ্দেশ দিছে। এই সন্দৰ্ভত প্ৰতিষ্ঠানটোৱে নিজৰ স্থিতি স্পষ্ট কৰি আজি কয় যে নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত কৰ্তব্যত যোগদান নকৰা কৰ্মচাৰীসকলক বৰ্খাস্ত কৰা হ'ব। উল্লেখযোগ্য যে প্ৰাপ্য সুবিধাৰ পৰা বঞ্চিত হোৱাৰ অভিযোগ তুলি বিগত কেইবাদিনো ধৰি সদৌ অসম ১০৮ মৃত্যুঞ্জয় সেৱা সন্থাৰ উদ্যোগত একাংশ কৰ্মচাৰীয়ে প্ৰতিবাদ সাব্যস্ত কৰি আহিছে। এনে প্ৰতিবাদক অবৈধ আখ্যা দি পৰিচালনা প্ৰতিষ্ঠানটোৱে ইতিমধ্যে ৮৫০গৰাকী কৰ্মচাৰীক চাকৰিৰ পৰা বৰ্খাস্ত কৰিছে। বৰ্খাস্ত নোহোৱা আন একাংশ কৰ্মচাৰীয়ে কৰ্তব্যত যোগদানৰ পৰা বিৰত আছে। এই কৰ্মচাৰীসকলক কৰ্তব্যত যোগদানৰ সময়সীমা বান্ধি দিয়া হৈছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰৰ নিৰ্দেশ মৰ্মে প্ৰতিষ্ঠানটোৱে বৰ্খাস্ত হোৱা কৰ্মচাৰীসকলৰ ঠাইত নতুন কৰ্মচাৰী নিয়োগ কৰিছে।

০০০০০

শোণিতপুৰ জিলাত চলি থকা বিভিন্ন চৰকাৰী আঁচনি আৰু প্ৰকল্পসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰাৰ অৰ্থে ৰাজ্য চৰকাৰৰ পশুপালন, পশু চিকিৎসা, মীন আৰু লোকনিৰ্মাণ বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালৰ অধ্যক্ষতাত আজি এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এই বৈঠকত চৰকাৰী আঁচনিসমূহৰ অগ্ৰগতিৰ পুংখানুপুংখভাৱে আলোচনা কৰাৰ লগতে হিতাধিকাৰীসকলে যাতে চৰকাৰী আঁচনিৰ সুবিধা সময়মতে লাভ কৰিব পাৰে সেই সন্দৰ্ভতো বিশেষ গুৰুত্ব আৰোপ কৰা হয়। কৃষি, পশুপালন আৰু দুগ্ধ উন্নয়ন খণ্ডত ৰাজ্যখনক স্বাৱলম্বী কৰি তোলাৰ অৰ্থে চৰকাৰে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ বিষয়ে মন্ত্ৰীগৰাকীয়ে বৈঠকত উল্লেখ কৰে। তেওঁ ৰাজ্যখনত দুগ্ধ, কণী আৰু আলংকাৰিক মাছ উৎপাদনৰ প্ৰচুৰ সম্ভাৱনা আছে আৰু এইসমূহ অন্য ৰাজ্যলৈ যোগান ধৰাৰ লক্ষ্যৰে কাম কৰিবলৈ সকলোৰে প্ৰতি আহ্বান জনায়। এই বৈঠকত বিধায়ক পদ্ম হাজৰিকা, শোণিতপুৰ জিলা আয়ুক্ত আনন্দ কুমাৰ দাসৰ লগতে ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০

সাংস্কৃতিক পৰিক্ৰমা, উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী বিমল বৰাই আজি শিল্পী স্বাস্থ্য বীমা আঁচনিৰ এটা প'ৰ্টেল আনুষ্ঠানিকভাৱে মুকলি কৰে। এই প'ৰ্টেলটোৰ জৰিয়তে শিল্পীসকলে ৰাজ্য চৰকাৰৰ শিল্পী স্বাস্থ্য বীমা আঁচনিৰ সুবিধা লাভ কৰাৰ বাবে অনলাইন আবেদন কৰিব পাৰিব। আজিৰ পৰা অহা ৭ জানুৱাৰীলৈ এই প'ৰ্টেলৰ জৰিয়তে আবেদন কৰিব পাৰিব। শিল্পীসকলে এই আঁচনিৰ অধীনত ৩ লাখ টকাৰ পৰা ৬ লাখ টকা পৰ্যন্ত চিকিৎসা সাহায্য লাভ কৰিব।

০০০০০

সমাপ্ত